জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৫/২০২০

**আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনৰ ইমাৰ্জেঞ্চী ক্ৰেডিট লাইন গ্যাৰাণ্টি স্কীমৰ হিতাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰীয়ে**

# আত্মনিৰ্ভৰ অসমৰ জৰিয়তেহে আত্মনিৰ্ভৰ ভাৰতৰ সপোনে সাকাৰ ৰূপ পাব ঃ মুখ্যমন্ত্ৰী

## চৰকাৰ, বেংক কৰ্তৃপক্ষ আৰু উদ্যোগীসকলৰ সন্মিলিত প্ৰচেষ্টাই কৰ্ম সামৰ্থ্যৰ ৰসায়ন শক্তিশালী কৰাৰ উপযুক্ত পৰিৱেশ নিৰ্মাণ কৰে ঃ মুখ্যমন্ত্ৰী

# আগন্তুক বিধানসভাৰ অধিৱেশনত এম এছ এম ই অধ্যাদেশত অনুমোদনৰ বাবে পদক্ষেপ ল'ব ৰাজ্য চৰকাৰে

**দিছপুৰ, ২৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনৰ 'ইমাৰ্জেঞ্চী ক্ৰেডিট লাইন গ্যাৰাণ্টি স্কীম (ই চি এল জি এছ)' ৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত আজি দেশৰ জনতাই ক'ভিড-১৯ ৰ এই প্ৰত্যাহ্বানৰ মাজতো নিজকে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে সংকল্পবদ্ধ হৈছে। 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ অধীনত ক্ষুদ্ৰ, অতিক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডৰ বাবে ঘোষণা কৰা ৩ লাখ কোটি টকাৰ পেকেজে দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলক এক নৱ জীৱন প্ৰদান কৰিছে। অসমৰ উদ্যোগীসকলেও যাতে এই পেকেজৰ পৰা সৰ্বাধিক লাভ গ্ৰহণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি আছে। এই পদক্ষেপৰ ফলতেই আজি ৰাজ্যৰ ৯৪,৬২৩ সংখ্যক ক্ষুদ্ৰ, অতিক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে ই চি এল জি এছৰ অধীনত ১৬৪৮.২১৮ কোটি টকাৰ ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ দিনটো অসমৰ উদ্যোগখণ্ডৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰি তেওঁ কয় যে 'আত্মনিৰ্ভৰ অসম'ৰ জৰিয়তেহে 'আত্মনিৰ্ভৰশীল ভাৰত'ৰ সপোনে সাকাৰ ৰূপ পাব। এক্ট ইষ্টৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ বজাৰ দখল কৰাই আমাৰ প্ৰধান লক্ষ্য বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ যুৱ শক্তিয়ে আজি নিজৰ শক্তি আৰু সামৰ্থৰ সু-প্ৰয়োগেৰে ৰাজ্যৰ অন্তৰ্নিহিত সম্ভাৱনাক বিশ্ববাসীৰ সন্মুখত পৰিচিত কৰাবলৈ সক্ষম হৈছে। অসমৰ কৃষিজাত সামগ্ৰীয়ে আজি দক্ষিণ-পূব এছিয়াৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ বহুকেইখন চহৰৰ বজাৰত উপযুক্ত সমাদৰ লাভ কৰিছে। উদ্যোগ ক্ষেত্ৰতো অসমীয়া যুৱক-যুৱতীসকলে নিজৰ প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। দৰং জিলাৰ হেমপ্ৰভা ডেকাৰ দৰে

মহিলা উদ্যোগীয়ে লক্‌ডাউনৰ মাজতে সীমিত কৰ্মচাৰীৰে কাম কৰিও ভূটানৰ দৰে বহিঃ ৰাষ্ট্ৰলৈ ৪০ হাজাৰ টা ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ মহিলা সৱলীকৰণৰ দিশটো ই এক উল্লেখনীয় দৃষ্টান্ত দাঙি ধৰিছে। সেইদৰে নগাঁৱৰ অভিজিৎ বৰুৱা, নলবাৰীৰ দিলীপ দাস আদিৰ দৰে উদ্যোগীয়ে নিজৰ অধ্যাৱসায় আৰু কষ্টৰ বলত নিজে প্ৰতিষ্ঠিত হোৱাৰ লগতে কেইবা শতাধিক নিৱনুৱাক কৰ্ম সংস্থাপন প্ৰদান কৰিবলৈ সক্ষম হৈছে। এনে সফল উদ্যোগীসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমৰ যুৱক-যুৱতীসকলে এই খণ্ডত অধিক আত্মনিয়োগ কৰিলে ৰাজ্যত এক উদ্যোগ বিপ্লৱৰ সূচনা হ'ব বুলি তেওঁ মন্তব্য কৰে।

'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ লক্ষ্য বাস্তৱায়িতকৰণৰ ক্ষেত্ৰত বেংকসমূহে প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰি এই পৰ্যন্ত এই আঁচনিৰ প্ৰতি আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে বেংকাৰ্চ সকললৈ ধন্যবাদ জ্ঞাপন কৰে। চৰকাৰ, বেংক কৰ্তৃপক্ষসমূহ আৰু উদ্যোগীসকলৰ সন্মিলিত প্ৰচেষ্টাইহে আমাৰ কৰ্ম সামৰ্থৰ ৰসায়ন শক্তিশালী কৰাত উপযুক্ত পৰিৱেশ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত উদ্যোগ খণ্ডৰ অৰিহণা ৩৯ শতাংশ যদিও প্ৰকৃততে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই অৰিহণা প্ৰায় ৪৪ শতাংশ বুলি ক'ব পাৰি। বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উদ্যোগ অনুকূল নীতিৰ বাবে বিগত চাৰি বছৰত ৰাজ্যৰ উদ্যোগ খণ্ডই ১ লাখ লোকক প্ৰত্যক্ষভাৱে নিয়োজন প্ৰদান কৰাৰ লগতে প্ৰায় ৬ লাখ লোকক পৰোক্ষ নিয়োজনৰ সুবিধা প্ৰদান কৰিছে। নামনি অসমত উদ্যোগৰ বিশেষ প্ৰসাৰৰ বাবে চৰকাৰে আমিনগাঁৱৰ পৰা টিহুলৈকে ঔদ্যোগিক কৰিড'ৰ হিচাপে ঘোষণা কৰিছে। উদ্যোগ স্থাপনৰ বাবে জটিলতা আতঁৰোৱাৰ সহায়ক হোৱাকৈ চৰকাৰে ইতিমধ্যে এম এছ এম ই অৰ্ডিনেন্স প্ৰণয়ন কৰিছে। বিধানসভাৰ সমাগত অধিৱেশনতে এই অধ্যাদেশত অনুমোদন লাভ কৰিব পৰা যাব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ ফলত ৰাজ্যত উদ্যোগ স্থাপন কৰাটো অতিকৈ সহজ হৈ পৰিব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে 'উড়ান' আঁচনিৰ অধীনত দক্ষিণ-পূব এছিয়াৰ ৬ খন ৰাষ্ট্ৰলৈ বিমান যোগাযোগ, সুদীৰ্ঘ কেইবাটাও দশকৰ পিছত বাংলাদেশৰ চিট্টাগং আৰু মংলা বন্দৰত ব্যৱসায়িক যাতায়াতৰ বাবে অনুমোদন লাভ, বাংলাদেশৰ ক'ক্স বজাৰ আই টি গেটৰ পৰা ৰাজ্যত দ্ৰুত ইণ্টাৰনেট সেৱা উপলব্ধ কৰাৰ পদক্ষেপ আদিৰ বিষয়েও উল্লেখ কৰে। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ ৰাইজৰ লগতে ক্ষুদ্ৰ উদ্যোগীসকলৰ মাজত মাইক্ৰ ফাইনেন্সিঙৰ সেৱা আগবঢ়োৱাৰ পদক্ষেপ ল'বলৈ উদ্যোগ মন্ত্ৰীগৰাকীয়ে অসম গ্ৰামীণ বিকাশ বেংক কৰ্তৃপক্ষক আহ্বান জনায়।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত আয়ুক্ত সচিব গৰাকীয়ে ৰাজ্যত 'আত্মনিৰ্ভৰ ভাৰত অভিযান' ৰূপায়ণৰ বিভিন্ন দিশ সামৰি এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যনো আগবঢ়ায়। অনুষ্ঠানত বেংকাৰ্চ সকলৰ হৈ ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ মহাপ্ৰৱন্ধক সুৰঞ্জনা দত্ত, উদ্যোগী অভিজিৎ বৰুৱা, দিলীপ দাস, এ মেহৰা, হেমপ্ৰভা

ডেকা আদিয়েও বক্তব্য আগবঢ়াই নিজৰ অভিজ্ঞতা আৰু সফলতাৰ কাহিনী মুখ্যমন্ত্ৰীক অৱগত কৰে। লক্‌ডাউনৰ এই কঠিন সময়ত উদ্যোগীসকলৰ প্ৰতি আগবঢ়োৱা সহযোগিতাৰ বাবে তেওঁলোকে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

আজিৰ মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে উদ্যোগ আৰু বাণিজ্য বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু সংখ্যক উদ্যোগীয়ে অংশ গ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**২৪/০৮/২০২০**